1985
Printed at the Assam Government Press.
Gauhati—21

# বাজেট বক্তৃতা

## ১৯৮৫-৮৬

মহম্মদ ইদ্ৰিছ

বিত্তমন্ত্ৰী, অসম

১১ মাৰ্চ, ১৯৮৫

অধ্যক্ষ মহোদয়,

১৯৮৫-৮৬ চন বছৰটোৰ বাবে বাৰ্ষিক বিত্তীয় বিৱৰণ মই দাঙি ধৰিব খুজিছোঁ।

২। এটা অশান্ত পৰিস্থিতিৰ মাজত ৰাজ্যখনৰ দায়িত্বভাৰ গ্ৰহণ কৰা বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকাল ইতিমধ্যে দুবছৰ সম্পূৰ্ণ হ'ল। এই চমু কাল ছোৱাৰ ভিতৰতে ৰাজ্য চৰকাৰে দৃঢ় প্ৰচেষ্টাৰে স্বাভাৱিক অৱস্থা ঘূৰাই অনা আৰু প্ৰশাসনক ৰাইজৰ অধিক কাষ চপাই নিয়াৰ ক্ষেত্ৰত সফলতা লাভ কৰিছে। উন্নয়নমূলক কাম কাজৰ গতি দ্ৰুত কৰি তোলা হৈছে আৰু ৰাইজৰ দুখীয়া ভাগৰ কল্যাণৰ উদ্দেশ্যে অতিশয় আন্তৰিকতাৰে ব্যৱস্থাও গ্ৰহণ কৰা হৈছে।

৩। বাজেটৰ প্ৰস্তাৱসমূহলৈ যোৱাৰ আগতে মই ৰাজ্যখনৰ অৰ্থনীতিৰ কিছুমান গুৰুত্বপূৰ্ণ দিশ সম্পৰ্কে চমুকৈ অলপ কথা কব বিচাৰিছো।

**ৰাজ্যিক আয়**

৪। এক দ্ৰুত আনুমানিক হিচাপৰ পৰা দেখা গৈছে যে ৰাজ্যখনৰ ঘৰুৱা উৎপাদন চলিত মূল্যত ১৯৮২-৮৩ চনৰ (সাম্প্ৰতিক) ৩৩৪২·০ কোটি টকাৰ পৰা ১৪ শতাংশ বৃদ্ধি হৈ ১৯৮৩-৮৪ চনত (দ্ৰুত হিচাপত) ৩৮১৩·৮ কোটি টকা হয়গৈ। ১৯৭০-৭১ চনৰ স্থিৰ মূল্যত ৰাজ্যখনৰ ঘৰুৱা উৎপাদন ৫ শতাংশ বাঢ়ি ১৯৮২-৮৩ চন বছৰটোৰ (সাম্প্ৰতিক) ১১৯২·২ কোটি টকাৰ পৰা ১৯৮৩-৮৪ বছৰটোত (দ্ৰুত হিচাপ মতে) ১২৫২·৯ কোটি টকা হয়গৈ। সেই সময় ছোৱাতে চলিত মূল্যত জনমূৰি ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯৮২-৮৩ চনৰ (সাম্প্ৰতিক) ১৫৯৬·১ টকাৰ পৰা ১০ শতাংশ বাঢ়ি গৈ ১৯৮৩-৮৪ চনৰ বছৰটোত (দ্ৰুত হিচাপ মতে) ১৭৬২·০ টকা হয়গৈ। আনহাতে স্থিৰ মূল্যত (১৯৭০-৭১) এই জনমূৰি আয়ৰ পৰিমাণ ১৯৮২-৮৩ চনৰ (সাম্প্ৰতিক) ৫৬৯·৪ টকাৰ পৰা ১·৭ শতাংশ বাঢ়ি গৈ ১৯৮৩-৮৪ চন বছৰটোত হয়গৈ (দ্ৰুত হিচাপ মতে) ৫৭৯·০ টকা। ১৯৮৪-৮৫ চন বছৰটোৰ কালছোৱাত উপৰ্য্যুপৰি হোৱা বানপানীয়ে খেতিৰ ব্যাপক ক্ষতিসাধন কৰাৰ পৰিপ্ৰেক্ষিতত ১৯৮৪-৮৫ চন বছৰটোত ৰাজ্যখনৰ ঘৰুৱা উৎপাদনৰ পৰিমাণ আগৰ বছৰটোৰ তুলনাত সামান্য পৰিমাণেহে বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

সেয়ে হলেও ষষ্ঠ পৰিকল্পনাৰ সময়ছোৱাত ৰাজ্যখনৰ অৰ্থনীতিয়ে (১৯৭০-৭১) চনৰ স্থিৰ মূল্যৰ হিচাপত ৪·৮ শতাংশ চকুত লগা ধৰণৰ বাৰ্ষিক হাৰত উন্নতি কৰি গৈছে।

**কৃষি**

৫। কৃষিয়েই হ'ল ৰাজ্যখনৰ অৰ্থনীতিৰ মূল ভেটি। চলিত বছৰত ৰাজ্যখনত উপৰ্য্যুপৰি ৫ বাৰকৈ হোৱা বান পানীয়ে কৃষি ক্ষেত্ৰত ক্ষতি সাধন কৰিলে। ৰাজ্যখনত উৎপাদিত হোৱা অন্যতম প্ৰধান শস্য ধানৰ উৎপাদন বেয়া ধৰণে ক্ষতিগ্ৰস্ত হয় আৰু ১৯৮৪-৮৫ চন বছৰটোত ধানৰ উৎপাদনৰ পৰিমাণ আগৰ বছৰৰ ২৫·৫ লাখ টনৰ বিপ-

বীতে ২৪·৭ লাখ টন হ'ব বুলি আশা কৰা হৈছে। সেইদৰে মৰাপাটৰ উৎপাদনৰ পৰিমাণ আগৰ বছৰৰ ৮৫৪ হেজাৰ গাঁথৰ পৰা ১৯৮৪-৮৫ চন বছৰটোত ৮২৭ হেজাৰ গাথলৈ হ্রাস পোৱাৰ সম্ভাৱনা আছে। বৰ্ত্তমানে পোৱা ইংগিত মতে ১৯৮৪-৮৫ চন বছৰটোত ৰবি শস্যৰ উৎপাদন যথেষ্ট বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। সেয়ে হলে এই বৃদ্ধিয়ে খাৰিফ শস্যৰ ক্ষেত্ৰত হোৱা ক্ষয়-ক্ষতি আংশিক ভাৱে পূৰণ কৰিব বুলি আশা কৰা হৈছে। খাদ্যশস্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা সমূহৰ ভিতৰত আছে উচ্চ উৎপাদনক্ষম ধান আৰু তাৰ পিচতে ৰবিশস্যৰ উৎপাদন বৃদ্ধি, বহু শস্য উৎপাদনৰ ওপৰত গুৰুত্ব প্ৰদানেৰে সৈতে কৃষি ক্ষেত্ৰত আধুনিক পদ্ধতি গ্ৰহণ, উচ্চ উৎপাদনক্ষম সঁচ আৰু সাৰৰ ব্যৱহাৰ, শস্য আদিৰ ব্যাপক সংৰক্ষণ ব্যৱস্থা গ্ৰহণ আৰু জলসিঞ্চনৰ সা-সুবিধা আগবঢ়োৱা। তদুপৰি, ফলমূল আৰু শাক-পাচলিৰ দৰে বাগিচা শস্যৰ উৎপাদন বৃদ্ধিৰ ওপৰত যথোচিত গুৰুত্ব আৰোপ কৰা হৈছে।

পশুপালন আৰু পশু চিকিৎসা

৬। উৎপাদনমূলক আৰু জনকল্যাণমুখী আঁচনিৰ যোগেদি গাঁৱৰ দুখীয়া শ্ৰেণী লোকৰ অৰ্থনৈতিক উন্নয়ন সাধনৰ প্ৰচেষ্টা বহলোৱাত চৰকাৰে অগ্ৰাধিকাৰ অব্যাহত ৰাখিব। বৰ্তমানে থকা আঁচনি সমূহেৰে অধিকতৰ সংখ্যক লোকক সামৰা হ'ব আৰু পৰিকল্পনা আবণ্টণৰ ভিতৰত নতুন আঁচনি হাতত লোৱা হ'ব। এই ক্ষেত্ৰত হাতত লব খোজা প্ৰস্তাবসমূহৰ ভিতৰত আছে— ফ্ৰ'জেন চিমেন বেংক, কমিউনিটি হেচিং চেণ্টাৰ, গাহৰি পাম, পশু চিকিৎসালয় আৰু প্ৰাথমিক সাহায্য কেন্দ্ৰ স্থাপন আদি ব্যাপক পশু উন্নয়ন আৰু পশু খাদ্য উন্নয়ন আঁচনিৰ ওপৰত দিয়া যথোচিত গুৰুত্বও অব্যাহত থাকিব।

উদ্যোগ

৭। ১৯৮৪-৮৫ চন বছৰটোত ৰাজ্যখনৰ ঔদ্যোগিক খণ্ডৰ সফলতা সামগ্ৰিক ভাবে সন্তোষজনক যেন দেখা গৈছে। প্লাই-উড, টি-চেষ্ট, চিমেণ্ট, পেট্ৰোলিয়াম সামগ্ৰী, সাৰ আৰু চাহপাত আদিৰ ক্ষেত্ৰত উৎপাদনৰ বেলিকা উৎসাহজনক ইংগিত পোৱা হৈছে। খনিজ সম্পদৰ ক্ষেত্ৰত কয়লা আৰু চূণ শিলৰ উৎপাদনে যোৱা বছৰৰ উৎপাদনৰ সীমা অতিক্ৰম কৰাৰ সম্ভাৱনা আছে। ঔদ্যোগিক উৎপাদন সূচী (ভিত্তি ১৯৭০=১০০) ১৯৮২ চনৰ ১৪৯ৰ পৰা ১৯৮৩ চনত ১৫৪ লৈ বৃদ্ধি পায় আৰু এই উৎপাদন সূচী ১৯৮৪ চনত আৰু অধিক বঢ়াৰ সম্ভাৱনা আছে।

বিজুলী শক্তি

৮। ষষ্ঠ পৰিকল্পনাৰ আৰম্ভণিতে বিজুলী শক্তিৰ প্ৰতিষ্ঠিত ক্ষমতা আছিল ১৪১·৫ মেগাৱাট। ১৯৮৩-৮৪ চনৰ শেষৰ পিনে এই ক্ষমতা ৩৫১·৭৭ মেগাৱাটলৈ বাঢ়ে। নিৰ্মীয়মান প্ৰকল্প কিছুমানৰ উৎপাদনৰ কাম আৰম্ভ হোৱাৰ পিচতেই ৰাজ্যখনৰ বিদ্যুৎ ক্ষমতা ১৯৮৫-৮৬ চনৰ বছৰটোত ৪৮৬·৫ মেগাৱাটলৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

১৯৮৭-৮৮ চনৰ ভিতৰত ৰাজ্যখনৰ আটাইবোৰ গাঁৱৰ বৈদ্যুতিকৰণৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ সৈতে সঙ্গতি ৰাখি গ্ৰাম্য বৈদ্যুতিকৰণৰ কাম ব্যাপক কৰি তোলা হৈছে। ১৯৮৪ চনৰ ৩১ মাৰ্চলৈকে ৰাজ্যৰ ২১,৯৯৫ খন গাঁৱৰ ভিতৰত ৯,৫৫৫ খন গাঁৱৰ বৈদ্যুতিকৰণৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। ১৯৮৫ চনৰ জানুৱাৰীলৈকে বিদ্যুৎ শক্তি যোগান ধৰা পাম্পচেটৰ সংখ্যা হ'ল ২৬৬৩ টা।

বান সাহায্য

৯। ১৯৮৪ চনৰ এপ্ৰিল মাহৰ পৰা উপর্যুপৰি ৫ বাৰকৈ হোৱা প্ৰলয়ংকৰী বানপানীয়ে ৰাজ্যখনৰ সা-সম্পত্তিৰ ব্যাপক ক্ষতি সাধন কৰে। ক্ষতিগ্ৰস্ত ৰাইজলৈ যথোচিত সাহায্য আগবঢ়োৱা আৰু সা-সম্পত্তিৰ ক্ষয়-ক্ষতি পূৰণৰ বাবে ৰাজ্য চৰকাৰে বিত্তীয় সাহায্যৰ আবেদন জনাই কেন্দ্ৰীয় চৰকাৰৰ ওচৰত স্মাৰক পত্ৰ দাখিল কৰে আৰু বানৰ ক্ষয় ক্ষতি সম্পৰ্কে চৰজমিন তদন্তৰ বাবে ১৯৮৪ চনৰ ছেপ্তেম্বৰ মাহত ৰাজ্যখনত ভ্ৰমণ কৰি যোৱা কেন্দ্ৰীয় দলৰ অনুমোদনৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰে সাহায্য আৰু পুনৰ নিৰ্ম্মাণৰ নিৰ্দ্দিষ্ট কাম কৰাৰ বাবে ৩৯১১·৬৯ লাখ টকা ব্যয় মঞ্জুৰ কৰে। এই চলিতত নধৰা ত্ৰাণকাৰ্য্য আৰু বিমানেৰে খাদ্য যোগানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কৰা ব্যয় অন্তৰ্ভূক্ত কৰি এই মঞ্জুৰী বঢ়োৱা হব। কেন্দ্ৰৰ উপৰোক্ত টকাখিনিৰ ভিতৰত সপ্তম বিত্তীয় আয়োগে জনোৱা অনুমোদন আৰু ৰাজ্যৰ বাজেটত নিৰ্দ্ধাৰণ কৰা অনুসৰি সীমামূৰলীয়া (marginal) ধন হিচাপে আৰম্ভণিতে ৩৪৬ লাখ টকা আগবঢ়োৱা হ'ব। সীমামূৰলীয়া ধন খিনিৰ ওপৰঞ্চি ব্যয়ৰ ৭৫ শতাংশ কেন্দ্ৰীয় চৰকাৰে আৰু বাকী ২৫ শতাংশ ৰাজ্য চৰকাৰে বহন কৰিব। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে অষ্টম বিত্তীয় আয়োগৰ প্ৰতিবেদন গ্ৰহণ কৰিছে আৰু ইয়াক ১৯৮৫-৮৬ চন বিত্তীয় বছৰৰ পৰা কাৰ্য-কৰী কৰা হ'ব। আয়োগে জনোৱা অনুমোদন অনুসৰি সীমামূৰলীয়া ধনৰ পৰিমাণ ৭২৫ লাখ টকালৈ বৃদ্ধি কৰা হৈছে আৰু ইয়াৰ ৫০ শতাংশ বৰঙণি আগবঢ়াব কেন্দ্ৰীয় চৰকাৰে। ১৯৮৫-৮৬ চনৰ বাজেটত ইয়াক ধৰা হৈছে।

যিফালে ১৯৮৪ চনৰ ৩১ ডিচেম্বৰ তাৰিখে কাছাৰ জিলাক এটা অতিশয় ডাঙৰ ভুঁইকপে জোকাৰি যায়। ইয়াৰ ফলত ঘাইকৈ সোনাই চক্ৰ আৰু ইয়াৰ আশে-পাশে প্ৰায় ১০০ বৰ্গ কিঃমিঃ অঞ্চল জুৰি জীৱন আৰু সা-সম্পত্তিৰ ব্যাপক ক্ষতি হয়। ৰাজ্য চৰকাৰে ভূমিকম্পত ক্ষতিগ্ৰস্ত হোৱা লোকলৈ সাহায্যৰ ব্যৱস্থা কৰিছে।

মূল্য পৰিস্থিতি

১০। মূল্যবৃদ্ধি এটা সৰ্বভাৰতীয় সমস্যা আৰু আমাৰ ৰাজ্যখনো ইয়াৰ ব্যতিক্ৰম নহয়। ১৯৮৪ চনৰ প্ৰথম ন মাহত পাইকাৰী মূল্যৰ গড়সূচী আগৰ বছৰৰ বাৰ্ষিক গড়ৰ তুলনাত ১৪·৭ শতাংশ বাঢ়িছিল। ১৯৮৩ চনৰ একেখিনি সময়ত ১৯৮২ চনৰ তুলনাত এই বৃদ্ধি আছিল ৮·৫ শতাংশ। ১৯৮৪ চনত পাইকাৰী মূল্যসূচী খাদ্য আৰু কৃষি সামগ্ৰীৰ বেলিকা বেছিকৈ বাঢ়িছিল। তথাপি ৰাজহুৱা বিতৰণ ব্যৱস্থা ফলপ্ৰসূভাৱে কামত লগাই চৰকাৰে ৰাইজৰ লাগতিয়াল অত্যাৱশ্যকীয় সামগ্ৰী কেতবোৰৰ দাম ধৰি ৰাখিবলৈ সক্ষম হৈছিল। অসমৰ শ্ৰমিক শ্ৰেণীৰ গ্ৰাহক মূল্যসূচী (ভিত্তি ১৯৪৯=১০০) আগৰ বছৰৰ বাৰ্ষিক গড় ৬১৬ ৰ পৰা ৯·৩ শতাংশ হাৰত বাঢ়ি ১৯৮৪ চনৰ অক্টোবৰত (প্ৰথম দহমাহৰ গড় হিচাপত) ৬৭৩ হয়গৈ।

নিয়োগ

১১। ৰাজ্যৰ সংগঠিত খণ্ড সমূহত মুঠ নিয়োজন ১৯৮৩ চনৰ ৯·২৯ লাখৰ পৰা ১২·২ শতাংশ হাৰত বৃদ্ধি পাই ১৯৮৪ চনৰ জুন মাহত ১০·৪৩ লাখ হয়গৈ।

পৰিসংখ্যাৰ পৰা জানিব পৰা মতে চাকৰি প্ৰাৰ্থীৰ সংখ্যাও ১৯৮৩ চনৰ জুন মাহৰ ৪·১৬ লাখৰ পৰা ১৬·৪ শতাংশকৈ বাঢ়ি ১৯৮৪ চনৰ জুন মাহত ৪·৮৪ লাখ হয়গৈ। ইয়াৰে প্ৰায় ২·৪৫ লাখ শিক্ষিত যুৱক আৰু এইসংখ্যা মুঠ সংখ্যাৰ প্ৰায় আধা। মহিলা চাকৰি প্ৰাৰ্থীৰ সংখ্যা আছিল প্ৰায় ৫৯,০০০ আৰু অনুসূচীত সম্প্ৰদায় আৰু অনুসূচীত জন-জাতিৰ চাকৰি প্ৰাৰ্থীৰ সংখ্যা আছিল ক্ৰমে ২৫,০০০ আৰু ৩৪,০০০। এই কালছোৱাত নিয়োগ বিনিময় কেন্দ্ৰৰ যোগে ঘোষিত খালী পদৰ সংখ্যা আছিল ১১,৭৮৮ আৰু তাৰ বাবে ৮৫,২৪৮ জন আবেদনকাৰীৰ নাম পঠিওৱা হৈছিল। নিয়োগ বিনিময় কেন্দ্ৰৰ যোগে পঞ্জীভূক্ত স্নাতক নিৱনুৱালৈ ৫০ টকা মাহিলি ভাট্টাৰ সাহায্য দিয়াৰ উদ্দেশ্যেৰে অসম নিৱনুৱা সাহায্য আচনিখন ১৯৮৩-৮৪ চনত প্ৰবৰ্ত্তন কৰা হয়। ১৯৮৩-৮৪ চনৰ শেষলৈকে এই আচনিৰ অধীনত ৫,৬৮৫ জন নিৱনুৱা স্নাতক যুৱক উপকৃত হৈছে আৰু ১৯৮৪-৮৫ চনৰ কাল ছোৱাত আৰু ৩,৪০০ যুৱকক সামৰা বুলি আশা কৰা হৈছে। ১৯৮৫-৮৬ চনতো ৩,৪০০ যুৱকলৈ সাহায্য আগবঢ়োৱাৰ লক্ষ্য লোৱা হৈছে আৰু তেতিয়া এই আচনিৰ দ্বাৰা উপকৃত যুৱকৰ সংখ্যা মুঠ ১২,৪৮৫ জন হবগৈ। ১৯৮৩ চনত প্ৰবৰ্ত্তন কৰা বাৰ্দ্ধক্য পেন্সন আচনিত এতিয়ালৈকে মুঠ ১৯,৬৭৪ গৰাকী বৃদ্ধ আৰু বৃদ্ধালৈ পেন্সন দিয়া হৈছে।

দৰিদ্ৰতা দূৰীকৰণ কাৰ্য্যসূচী

১২। দৰিদ্ৰতা ৰেখাৰ তলত বসবাস কৰা লোকৰ শতকৰা হিচাপ কমোৱাৰ উদ্দেশ্যেৰে সংহত গ্ৰাম্যবিকাশ আচনি, ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আচনি, গ্ৰাম্য ভূমিহীন লোকৰ নিয়োগ নিশ্চিত কৰণ আচনি আদি দৰিদ্ৰ মোচন কাৰ্য্য সূচীত উচ্চ অগ্ৰাধিকাৰ দিয়া হৈছে। সপ্তম পৰিকল্পনা শেষ হোৱালৈকে দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যা ২৩ শতাংশ লৈ নমাই অনাৰ প্ৰস্তাৱ লোৱা হৈছে। মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে চলিত বছৰত সংহত গ্ৰাম্য বিকাশ আচনিৰে ৮০,৪০০ পৰিয়ালক সাহায্য দিয়াৰ লক্ষ্য লোৱা হৈছিল যদিও ১৯৮৫ চনৰ জানুৱাৰী মাহলৈকে ১,০৫,১৭৯ টা পৰিয়ালক সাহায্য দিব পৰা হৈছে। ভাৰতৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত ১৯৮৪ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত আমাৰ ৰাজ্যই এই আচনিৰ কাম কাজৰ ক্ষেত্ৰত প্ৰথম স্থান দখল কৰিছে। ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আচনিত লাভ কৰা কৃতকাৰ্য্যও একেদৰেই চকুত লগা আৰু ১৯৮৫ চনৰ জানুৱাৰী মাহলৈকে ৫৪·৫৬ লাখ কৰ্ম দিৱস সৃষ্টি কৰিব পৰা হৈছে। এই ক্ষেত্ৰত লক্ষ্য আছিল ৫৮·৪০ লাখ কৰ্মদিৱস সৃষ্টি কৰা। এতিয়াৰ কামৰ গতি দেখি বছৰটোৰ লক্ষ্য অতিক্ৰম কৰিব পৰা যাব বুলি আশা কৰা হৈছে। গঞা ভূমিহীন লোকক কৰ্মসংস্থানৰ নিশ্চয়তা দিব খোজা গ্ৰাম্য ভূমিহীন নিয়োগ নিশ্চিতকৰণ আচনিয়ে এতিয়ালৈ ১৬·৩৩ লাখ কৰ্মদিবস সৃষ্টি কৰিব পাৰিছে।

কুৰিদফীয়া আঁচনি

১৩। দৰিদ্ৰতা দূৰীকৰণ আৰু কেতবোৰ গুৰুত্বপূৰ্ণ খণ্ডৰ উৎপাদন বৃদ্ধিত বিশেষ গুৰুত্ব দি প্ৰস্তুত কৰা কুৰিদফীয়া কাৰ্য্যসূচীখন ৰাজ্যখনৰ বাবে অতিকৈ তাৎপৰ্য্যপূৰ্ণ। এই কাৰ্যসূচী সম্পূৰ্ণ আৰু সাৰ্থকভাবে ৰূপায়ণ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। অসমত কুৰিদফীয়া কাৰ্য্যসূচী ৰূপায়ণৰ বাবে ৬ষ্ঠ পৰিকল্পনাৰ আবণ্টনৰ প্ৰায় ৭২ শতাংশ বেলেগে দেখুওৱা হৈছে। ইয়াৰ অন্তৰ্গত কাৰ্য্যসূচী সমূহৰ অগ্ৰগতিৰ ওপৰত সততে হিচাপ নিকাচ কৰি থকা হৈছে আৰু বিভিন্ন পৰ্যায়ত সফলতা সমূহৰ পৰ্য্যালোচনাও হৈ আছে। ১৯৮৪-৮৫ চনত বহু কেইখন আচনিৰ ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্যখনৰ কাম-কাজ চকুত লগা হৈছে। উদাহৰণ স্বৰূপে ১৯৮৫ চনৰ জানুৱাৰী

মাহৰ শেষলৈ সন্তোষজনক অগ্ৰগতি পোৱা হৈছে সংহত গ্ৰাম্য বিকাশ (১৩০·৮২%), ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ কাৰ্য সূচী (৯৩·৪%), খোৱা পানীৰ সুবিধা (৭৫%), ঘৰ সজা মাটিৰ বন্টন (৬৯·৩%), বস্তিবাসীৰ উন্নয়ন (১০৪%) আৰু বৃক্ষৰোপনৰ (৯৬·৩%) লেখীয়া আচনি সমূহত।

আনুষ্ঠানিক বিত্ত

১৪। ৰাজ্যখনৰ অনুসূচীত বেংকৰ শাখা ১৯৮২ চনৰ জুন মাহৰ ৫৬২ ৰ পৰা ১৯৮৩ চনৰ জুন মাহত ৬৫৩ টা আৰু ১৯৮৪ চনৰ ডিচেম্বৰ মাহৰ শেহত ৭৫০ টা লৈ বৃদ্ধি পায়। বেংকৰ শাখা এইদৰে বাঢ়িলেও গোটেই দেশৰ তুলনাত আমাৰ ৰাজ্যত বেংক সেৱা এতিয়াও কম হৈয়েই আছে। উদাহৰণ স্বৰূপে ১৯৮৩ চনৰ জুন মাহত গোটেই দেশৰ হিচাপত প্ৰতি ১৬,০০০ ৰাইজৰ মাজত বেংকৰ একোটাকৈ কাৰ্য্যালয় থকাৰ সময়ত অসমত প্ৰতি ৩০,০০০ ৰাইজৰ বাবেহে বেংকৰ একোটা কাৰ্য্যালয় আছিল। বেংকৰ শাখা বঢ়াৰ লগে লগে জমা ধনৰ পৰিমাণো ১৯৮০ ৰ ডিচেম্বৰ মাহৰ ৩৫০·৩ কোটি টকাৰ পৰা ১৯৮৩ ৰ ডিচেম্বৰত ৬৮৯·৬ কোটি টকা লৈ উল্লেখযোগ্য ভাবে বাঢ়ে। কিন্তু ঋণ বিনিয়োগৰ বৃদ্ধি যথেষ্ট হতাশজনক আছিল কিয়নো সেইছোৱা সময়ত ইয়াৰ পৰিমাণ ১৮৬·৭ কোটি টকাৰ পৰা ২৯১·৮ কোটি টকালৈহে বৃদ্ধি পাইছিল। এই হিচাপত অনুসূচীত বাণিজ্যিক বেংক সমূহৰ ঋণ-জমাৰ অনুপাত ১৯৮৩ চনৰ জুন মাহত গোটেই দেশৰ ৬৮·১ শতাংশৰ বিপৰীতে অসমত আছিল ৪৫·৬ শতাংশহে।

বিত্ত আয়োগ

১৫। মাননীয় সদস্য সকলৰ বোধহয় মনত আছে যে যোৱা বছৰৰ বাজেট উত্থাপন কৰোতে অষ্টম বিত্ত আয়োগৰ অন্তৰ্বৰ্ত্তীকালীন প্ৰতিবেদনৰ কথা উল্লেখ কৰা হৈছিল। ইতিমধ্যে ভাৰত চৰকাৰে ১৯৮৪-৮৫ চনৰ পৰা ১৯৮৮-৮৯ চনৰ সময় চোৱাৰ বাবে আয়োগৰ চূড়ান্ত প্ৰতিবেদন গ্ৰহণ কৰিছে আৰু প্ৰথম বছৰটো অন্তৰ্বৰ্ত্তীকালীন প্ৰতিবেদনতে সামৰিলৈ ১৯৮৫-৮৬ চনৰ পৰা চূড়ান্ত প্ৰতিবেদন কাৰ্য্যকৰী কৰা হব। অন্তৰ্বৰ্ত্তীকালীন প্ৰতিবেদনত অসমলৈ ৩৮·১৭ কোটি টকাৰ সাহায্য অনুদান আৰু সপ্তম বিত্ত আয়োগৰ অনুমোদন অনুসাৰে ১৯৮৪-৮৫ চনত কেন্দ্ৰীয় কৰ আৰু শুল্কৰ পৰা ১৪৭·২৭ কোটি টকা দিয়াৰ ব্যৱস্থা ৰখা হৈছিল। চূড়ান্ত প্ৰতিবেদনত ১৯৮৪-৮৫ চনৰ হিচাপত তাতোকৈ অনেক বেছি অংকৰ ধন দিয়াৰ কথা আছিল। চূড়ান্ত প্ৰতিবেদনত সাহায্য অনুদান শিতানত ৯২·৭০ কোটি টকা ধৰা আছিল আৰু ১৯৮৪-৮৫ চনৰ কেন্দ্ৰীয় কৰ আৰু শুল্কৰ অংশ ২১১ কোটিমান টকা হ'লগৈহেতেন। তদুপৰি, মূলধনী শিতানত ১৯৮৪-৮৫ চনৰ বাবে ৪১·১০ কোটি টকা ঋণ মুক্তি আৰু কেন্দ্ৰীয় ঋণত ৰদ কৰা হিচাপে দেখুওৱা হৈছে। চূড়ান্ত প্ৰতিবেদনত মুঠ ৩৪৪·৮০ কোটি টকাৰ অনুমোদনৰ বিপৰীতে অন্তৰ্বৰ্ত্তীকালীন প্ৰতিবেদনত ১৮৫·৪৪ কোটি টকাৰহে ব্যৱস্থা আছে। গতিকে সেই হিচাপত ৰাজ্য চৰকাৰে ১৫৯·৩৬ কোটি হেৰুৱাব।

আয়োগে ১৯৮৪-৮৫ ৰ পৰা ১৯৮৮-৮৯ চনৰ সময়ছোৱাত আমাৰ ৰাজহ ব্যৱধান ১৪৪৪·৪৬ কোটি টকাত হিচাপ কৰে আৰু ২৭৫ অনুসূচীমতে ২১৫·৪৮ কোটি টকাৰ সাহায্য অনুদান আৰু ১২৫১·৬৭ কোটি টকালৈ কেন্দ্ৰীয় কৰ আৰু শুল্কৰ অংশ অনুমোদন কৰে।

সামগ্ৰিক অনুমোদনৰ ফলত আয়োগৰ ১৪৪৪·৪৬ কোটি টকাৰ ঘাটি পূৰণ হৈ ২২.৬৯ কোটি টকাৰ ৰাহি থাকি যাব বুলি আশা কৰা হৈছিল। ৰাজহ ঘাটি মঞ্জুৰীৰ আকাৰত দিয়া এই অধিক ধন অনুমোদন কৰা হয়

ঘাটি ৰাজ্যসমূহক মঞ্জুৰীৰ পৰিমাণৰ ক্ষেত্ৰত স্বচ্ছলতাৰ সুবিধা দান কৰাৰ উদ্দেশ্যে। ৰাজহ ঘাটি পূৰণ কৰিবলৈ দিয়া অনুদানৰ উপৰিও আয়োগে নিৰ্দ্দিষ্ট কাম কাজৰ বাবে ১৪০.৩৩ কোটি টকাৰ অনুদানো অনুমোদন কৰাত ২৭৫ অনুসূচীমতে পাচবছৰৰ বাবে অনুমোদন জনোৱা সাহায্য অনুদানৰ পৰিমাণ ৩৫৫.৮১ কোটি টকা হৈছেগৈ। ৰান সাহায্যৰ বাবে থকা বাৰ্ষিক একান্ত ধনৰ পৰিমাণ বৰ্ত্তমানৰ ৩.৪৬ কোটিৰ পৰা ৭.২৫ কোটিলৈ বঢ়াবলৈ আৰু প্ৰতিবছৰে তাৰ ৫০ শতাংশ কেন্দ্ৰই অনুদান হিচাপে দিব লাগে বুলিও আয়োগে অনুমোদন কৰিছে। ৰাজ্যই নিজ অংশৰ ধন খৰছ কৰাৰ পিছত কেন্দ্ৰীয় বৰঙণি গ্ৰহণ কৰিব পাৰিব। কেন্দ্ৰীয় আবকাৰী শুল্কৰ ধনৰ ভাগ পোৱাৰ ক্ষেত্ৰত ভগাবলগীয়া ধনৰ পৰিমাণ মুঠ সংগ্ৰহৰ বৰ্ত্তমানৰ ৪০ শতাংশৰ পৰা ৪৫ শতাংশলৈ বঢ়োৱা হৈছে আৰু এই ৫ শতাংশ অসমকে ধৰি ঘাটি ৰাজ্যসমূহৰ মাজতহে ভগাই দিয়া হব। সকলো ৰাজ্যৰ মুঠ ঘাটিৰ লগত প্ৰতিখন ৰাজ্যৰ ঘাটিৰ অনুপাত উলিয়াই সেইমতে এই ধনৰ বিতৰণ কৰা হব। অষ্ঠম বিত্ত আয়োগৰ অনুমোদনৰ এটা উল্লেখনীয় দিশ হ'ল ৰাজ্যলৈ দিয়া সম্পদৰ সামগ্ৰিক হিচাপত অসমৰ অংশ সপ্তম বিত্ত আয়োগে অনুমোদন কৰা ২.৪৯ শতাংশৰ পৰা ৪.০৭ শতাংশলৈ বৃদ্ধি পোৱাটো।

একেদৰেই মূলধনী শিতানত পাচবছৰৰ বাবে পৰিকল্পনা বহিৰ্ভূত মূলধনৰ ব্যৱধান আয়োগে ৩৬৫.১১ কোটি টকাত হিচাপ কৰিছে আৰু ঋণ পৰিশোধৰ সময় সূচী সলনি কৰি ২০৫.৫০ কোটি টকাৰ আৰু ৪৯.৭৫ কোটি টকাৰ ঋণ ৰদ কৰি মুঠ ২০৫.৫০ কোটি টকাৰ সকাহ দিয়াটো অনুমোদন কৰিছে। বছেৰেকীয়া হিচাপত এই সকাহৰ পৰিমাণ বা পৰিশোধ ক্ৰম সলনি কৰি দিয়া ৩১.১৫ কোটি আৰু ঋণ ৰদ কৰি দিয়া ৯.৯৫ কোটিকে ধৰি মুঠ ৪১.১০ কোটি টকা হবগৈ। অষ্টম বিত্ত আয়োগৰ অনুমোদন সামগ্ৰিক ভাবে সন্তোষজনক যেন লাগিলেও তাত আত্মতুষ্টিৰ অৱকাশ নাই, কিয়নো আয়োগে ব্যৱস্থা নকৰা ওপৰঞ্চি দায় দায়িত্ব ৰাজ্য চৰকাৰে লবই লাগিব আৰু তাৰ ফলত বাজেটৰ ভাৰসাম্য বেয়াকৈ ওলটপালট হবগৈ পাৰে।

সেয়ে পৰিকল্পনা বহিৰ্ভূত নতুন ব্যয়ৰ প্ৰস্তাৱ পৰ্য্যায়িত কৰোতে চূড়ান্ত সতৰ্কতা আৰু মিতব্যয়িতাৰ দৰকাৰ হব।

পৰিকল্পনা আবণ্টন

১৬। মাননীয় সদস্যসকলে জানেই যে চলিত বিত্তীয় বছৰটোৱেই হ'ল ৬ষ্ঠ পৰিকল্পনাৰ শেষ বছৰ। ৬ষ্ঠ পৰিকল্পনাৰ বাবে পৰিকল্পনা আয়োগে প্ৰথমতে অনুমোদন কৰা আবণ্টন আছিল ১,১১৫ কোটি টকা আৰু পিছলৈ ইয়াক ১২৯৭ কোটি টকালৈ বৃদ্ধি কৰা হয়। ১৯৮৪-৮৫ চনৰ বাবে বাৰ্ষিক পৰিকল্পনাত অনুমোদিত আবণ্টন হ'ল ৩৬০ কোটি টকা। তাৰে ২৫.৫৯ কোটি টকা ধৰা হৈছিল পাৰ্ব্বত্য পৰিকল্পনাৰ বাবে। পাৰ্ব্বত্য এলেকাৰ খৰতকীয়া উন্নয়ণৰ বাবে ২১.৮৪ কোটি টকাৰ সংযোগী কেন্দ্ৰীয় সাহায্যও এই পাৰ্ব্বত্য পৰিকল্পনাৰ পৰিপূৰক হিচাপে দিয়া হয়। পৰিকল্পনা আয়োগে আমাৰ ১৯৮৫-৮৬ চনৰ বাৰ্ষিক পৰিকল্পনাক এতিয়ালৈ চূড়ান্ত কৰা নাই। পৰিকল্পনা চূড়ান্ত কৰা সাপেক্ষে অহা বছৰৰ বাবে কেন্দ্ৰীয় সাহায্যকে ধৰি পৰিকল্পনা আবণ্টন বৰ্ত্তমান পৰ্যায়তে সদ্যহতে ধৰি থোৱা হৈছে। আয়োগে চূড়ান্ত কৰা আমাৰ ১৯৮৫-৮৬ চনৰ পৰিকল্পনা ১৯৮৪-৮৫

বাৰ্ষিক পৰিকল্পনাতকৈ ডাঙৰ হব বুলি আমি আশা ৰাখিছো। পৰিকল্পনাৰ চূড়ান্ত ৰূপ দিয়াৰ পিছত প্ৰয়োজনমতে বিভিন্ন খণ্ডত অতিৰিক্ত ধনৰ দিহা কৰিবৰ বাবে যথাসময়ত আমি সদনৰ কাষ চাপিম।

ৰাজহৱা ঋণ

১৭। ১৯৮৪ চনৰ মাৰ্চ মাহৰ শেষৰ পিনে ৰাজহুৱা ঋণৰ পৰিমাণ আছিল ১৪৪২.৯৩ কোটি টকা। ১৯৮৫ চনৰ মাৰ্চ মাহৰ শেষলৈ সৰ্ব্বমুঠ ঋণৰ বোজা প্ৰায় ১৭৫০.২৭ কোটি টকালৈ বৃদ্ধি পোৱাৰ সম্ভাবনা আছে। ৰাজ্যৰ কৰ আৰু কৰ বহিৰ্ভূত ৰাজহৰ শিতানত আনুমানিক ২৭২ কোটি টকা আয়ৰ বিপৰীতে ১৯৮৫-৮৬ চনৰ ভিতৰত ঋণ আৰু সুত পৰিশোধৰ ক্ষেত্ৰত থকা দায় ১৯০ কোটিমান টকা হবগৈ বুলি হিচাপ কৰা হৈছে।

পৰিকল্পনাৰ কাম কাজৰ বাবে লোৱা কেন্দ্ৰীয় ঋণেই হ'ল ৰাজহুৱা ঋণৰ সিংহভাগ। পৰিকল্পনাৰ বাবে পোৱা ধনৰ বৰ্ত্তমানৰ হিচাপ হ'ল সাধাৰণ অঞ্চলৰ বেলিকা ৭০ শতাংশ ঋণ আৰু ৩০ শতাংশ অনুদান আৰু পাহাৰ এলেকাৰ বেলিকা ৯০ শতাংশ অনুদান আৰু ১০ শতাংশ ঋণ। উত্তৰ পূৰ অঞ্চলৰ আন আন ৰাজ্যৰ দৰে কেন্দ্ৰীয় সাহায্যৰ হিচাপটো ৯০ শতাংশ অনুদান আৰু ১০ শতাংশ ঋণ লৈ সলাবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ আবেদন কৰিছে।

১৯৮৩-৮৪ৰ হিচাপ

১৮। এতিয়া আমি আহো হিচাপ আৰু বাজেটলৈ। ইতিমধ্যে দাঙিধৰা বাৰ্ষিক বিত্তীয় প্ৰতিবেদন চালে মাননীয় সদস্যসকলে দেখিব যে ১৯৮৩-৮৪ চনৰ বছৰটো (---) ৫৪.৪১ টকাৰ ঘাটি উদ্বৃত্তৰে সামৰণি পৰিছিল। ইয়াত (---) ৭১.০২ কোটি টকাৰ আৰম্ভণীৰ ঘাটি উদ্বৃত্তও সামৰি লোৱা আছিল। ১৯৮৩-৮৪ চনৰ সংশোধিত প্ৰাককলনত সামৰণি উদ্বৃত্ত হৈছিল গৈ (---) ৪৩.৭৩ কোটি টকা। গতিকে ১৯৮৩-৮৪ চনৰ সামৰণিত ১০.৬৮ কোটি টকাৰ ঘাটি বৃদ্ধি পাইছিল। ৰাজহুৱা হিচাপত আয় ১৫.৯০ কোটি টকা কম হৈছিল যদিও ৪.০৩ কোটি টকা কমকৈ খৰচ হোৱাত ৰাজহ শিতানৰ অৱনতি ১১.৮৭ কোটি টকাত সীমিত থাকে। ফলস্বৰূপে ৰাজহ শিতানৰ ঘাটি ১৯৮৩-৮৪ চনৰ সংশোধিত প্ৰাককলনত ধৰা (---) ১২৫.৩৪ কোটি টকাৰ পৰা ১৯৮৩-৮৪ চনৰ প্ৰকৃত হিচাপত (---) ১৩৭.২১ কোটি টকালৈ বৃদ্ধি পায়। অৱশ্যে ৰাজহ শিতানৰ বাহিৰৰ আয় ব্যয়ত ১.১৯ কোটি টকাৰ যৎসামান্য উন্নতি পৰিলক্ষিত হয়। সেইমতে সংশোধিত প্ৰাককলনৰ পৰা প্ৰকৃত হিচাপলৈ মুঠ অৱনতি আছিল ১০.৬৮ কোটি টকাৰ।

১৯৮৪-৮৫ চনৰ সংশোধিত প্ৰাক্কলন

১৯। এই সন্মানিত সদনে অনুমোদন কৰা ১৯৮৪-৮৫ চনৰ বাজেট প্ৰাককলনত (---) ১০৫.৯৫ কোটি টকাৰ সামৰণি ঘাটি দেখুৱাইছিল যদিও ১৯৮৪-৮৫ৰ সংশোধিত প্ৰাককলনত আৰম্ভণীৰ (--) ৫৪.৪১ কোটি টকাৰ ঘাটিকে ধৰি মুঠ (--) ১৪০.২৫ কোটি টকাৰ ঘাটি দেখা গৈছে।

ৰাজহ আয়ৰ ক্ষেত্ৰত ১৯৮৪-৮৫ চনৰ সংশোধিত প্ৰাককলনত বাজেটত হিচাপ কৰাতকৈ ৪৩.৫৪ কোটি টকাৰ বৃদ্ধি দেখা গৈছে। বছৰটোৰ সংশোধিত প্ৰাককলনত ৰাজহ শিতানৰ ব্যয়ৰ বেলিকা ৮৪.৩৭ কোটি টকা বঢ়া পৰিলক্ষিত হৈছে। প্ৰাকৃতিক দুৰ্য্যোগৰ বাবে সাহায্য দিবলৈ প্ৰয়োজন হোৱা ৩৬.০৭ কোটি টকাকে ধৰি বছৰটোত বিভিন্ন বিভাগৰ ওপৰঞ্চি প্ৰয়োজন পূৰণ কৰোতে ঘাইকৈ পৰিকল্পনা বহিভূত ব্যয়ৰ হিচাপতে এই বৃদ্ধি

হয়। অৱশ্যে ৰাজহ শিতানৰ বাহিৰৰ লেন দেনত সংশোধিত প্ৰাককলনত বাজেট প্ৰাককলনৰ হিচাপৰ বিপৰীতে ১৭.২২ কোটি টকাৰ উন্নতি দেখা যায়।

২০। এতিয়া উত্থাপন কৰা ১৯৮৫-৮৬ চনৰ বাজেট প্ৰাককলনত ৰাজ্যৰ একত্ৰিত নিধিত ১৭৪৯.৩৫ কোটি টকাৰ মুঠ আয় আৰু ১৮৩৫.৬৩ কোটি বাজেট ১৯৮৫-৮৬ টকাৰ মুঠ ব্যয় দেখা গৈছে। ইয়াৰ ফলত একত্ৰিত নিধিৰ বৰ্ত্তমানৰ অৱস্থাৰ লগত ৮৬.২৮ কোটি টকাৰ ব্যৱধান এটা থাকি গৈছে। একত্ৰিত নিধিৰ বাহিৰত বছৰটোত ২৩.৮৮ কোটি টকাৰ উদ্বৃত্ত এটা হিচাপ কৰা হৈছে। ই একত্ৰিত নিধিত থকা ব্যৱধান কমাই আনিব বুলি ভবা হৈছে আৰু বছৰটোত সামগ্ৰিক ঘাটি (—) ৬২.৪০ কোটি টকা হবগৈ বুলি অনুমান কৰা হৈছে। ১৯৮৫-৮৬ চনৰ বাবে হিচাপ কৰা আৰম্ভণীৰ (—) ১৪০.২৫ কোটি টকাৰ ঘাটি উদ্বৃত্তক সামৰি বছৰটো (—) ২০২.৬৫ কোটি টকাৰ ঘাটি উদ্বৃত্তৰে সামৰণি পৰিব বুলি হিচাপত দেখা গৈছে।

১৯৮৪-৮৫ চনৰ সংশোধিত প্ৰাককলনৰ ৭০০.০৬ কোটি টকাৰ বিপৰীতে ১৯৮৫-৮৬ চনৰ ৰাজহ আয় ১০৯.৩০ কোটি টকাৰ বৃদ্ধি দেখুৱাই ৮০৯.৩৬ কোটি টকা হবগৈ বুলি হিচাপ কৰা হৈছে। ৰাজহ শিতানৰ ব্যয় ১৯৮৪-৮৫ চনৰ সংশোধিত প্ৰাককলনৰ ৮৩৬.৫৯ কোটি টকাৰ বিপৰীতে ১৯৮৫-৮৬ চনত ৯১৩.৫২ কোটি টকা হবগৈ বুলি হিচাপত দেখা গৈছে। চলিত (১৯৮৪-৮৫) বিত্তীয় বছৰৰ সংশোধিত প্ৰাককলনত পোৱা (—) ১৩৬.৫৩ কোটি টকাৰ বিপৰীতে ইয়াৰ ফলত ৰাজহ শিতানত (—) ১০৪.১৬ কোটি টকাৰ ঘাটি হৈ যাব। মূলধনী হিচাপত ১৯৮৫-৮৬ চনত ৯৩৯.৯৯ কোটি টকাৰ আয় আৰু ৯২২.১১ কোটি টকাৰ মূলধনী ব্যয় হিচাপ কৰি পোৱা গৈছে আৰু তাৰ ফলত (+) ১৭.৮৮ কোটি টকাৰ ৰাহি থাকিব। ইয়াৰ ফলত ৰাজহ শিতানৰ সেই পৰিমাণৰ ঘাটি কমি যাব আৰু একত্ৰিত নিধিৰ বৰ্ত্তমান লেন দেনৰ সামগ্ৰিক ঘাটি (—) ৮৬.২৮ কোটি টকালৈ নামি আহিব। একত্ৰিত নিধিৰ বাহিৰত হিচাপ কৰা ২৩.৮৮ কোটি টকা মুঠ ৰাহিকে ধৰি ১৯৮৪-৮৫ চনৰ সংশোধিত প্ৰাককলনৰ সাম্প্ৰতিক লেন দেনৰ পৰা হোৱা (—) ৮৫.৮৩ কোটি টকাৰ সামগ্ৰিক ঘাটিৰ বিপৰীতে ১৯৮৫-৮৬ চনত সামগ্ৰিক ঘাটি ৬২.৪০ কোটি হবগৈ বুলি হিচাপ কৰি পোৱা গৈছে। (—) ১৪০.২৫ কোটি টকাৰ আৰম্ভণীৰ উদ্ধৃত্তকে ধৰিলে ১৯৮৫-৮৬ চনৰ বছৰটো (—) ২০২.৬৫ কোটি টকাৰ হিচাপেৰে সামৰণি পৰিবগৈ বুলি হিচাপত দেখা গৈছে।

২১। সা-সম্পত্তি আৰু সেৱা সমূহ চলাই থকাৰ বাবে এৰাব নোৱাৰা দায়িত্ব আৰু উন্নয়নমূলক কাম কাজৰ বাবে অধিক পুঁজিৰ প্ৰয়োজন বাঢ়ি যোৱাৰ বাবেই ঘাইকৈ বাজেটৰ এই ব্যৱধানো বাঢ়ি গৈছে। চৰকাৰৰ হাতত থকা সম্পদৰ সীমাবদ্ধতাৰ বাবেই ঋণৰ ফলত ৰাজ্য-কোষৰ ওপৰত বাঢ়ি অহা হেচা সত্বেও পৰিকল্পনাৰ ৰূপায়ণৰ বাবে ধাৰ কৰা মূলধনত নিৰ্ভৰ কৰিবলৈ চৰকাৰ বাধ্য হৈ পৰিছে। বিভিন্ন খণ্ডত বাকী পৰি থকা কাম-কাজ সম্পূৰ্ণ কৰিবলৈ আৰু অগ্ৰগতিৰ ৰাষ্ট্ৰীয় পৰ্য্যায় পাবলৈ উন্নয়নৰ গতি খৰতকীয়া কৰাৰ বাবে ব্যয়ৰ পৰিমাণ বেগেৰে বঢ়াই নিয়াটো অৱশ্যম্ভাবী হৈ পৰিছে। সম্পদ সংৰক্ষণৰ এৰাব নোৱাৰা প্ৰয়োজনৰ প্ৰতি দৃষ্টি ৰাখি কৰ সংগ্ৰহ উন্নত কৰিবলৈ আন্তৰিক প্ৰচেষ্টা চলোৱা হৈছে

আৰু তাত উৎসাহজনক সফলতাও পোৱা গৈছে। ক্ষুদ্ৰ সঞ্চয়ৰ সংগ্ৰহ বাঢ়িছে। ইয়াৰ উপৰিও খাৰুৱা তেলৰ ৰয়েল্টীৰ হাৰ সংশোধনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ সহানুভূতি পূৰ্ণ সিদ্ধান্ত এটাও ৰাজ্য চৰকাৰে আশা কৰি আছে। তথাপিও সম্পদৰ যথা-যথ ব্যৱহাৰ নিশ্চিত কৰিবলৈ আৰু সম্ভৱপৰ ক্ষেত্ৰত যথাসাধ্য মিতব্যয়িতা ৰাখিবলৈ সততে সতৰ্কতাও অৱলম্বন কৰিব লাগিব ।

নতুন বিত্তীয় বছৰত ভৰি দিয়াৰ লগে লগে আমি ৰাজ্য খনৰ সৰ্ব্বাঙ্গীণ বিকাশৰ কৰ্মসূচী নতুন উদ্দীপনাৰে আৰম্ভ কৰিম আৰু এই ক্ষেত্ৰত মই সকলোৰে সহযোগিতা কামনা কৰিছো। এই খিনিকে কৈ সন্মানিত সদনৰ অনুমোদনৰ বাবে মই ১৯৮৫-৮৬ চনৰ বাজেট দাঙি ধৰিছো।

## পৰিশিষ্ট

(হাজাৰ টকাৰ হিচাপত)

| প্ৰকৃত ১৯৮৩-৮৪ | বাজেট প্ৰাক্কলন ১৯৮৪-৮৫ | সংশোধিত প্ৰাক্কলন ১৯৮৪-৮৫ | শিতান সমূহ | বাজেট প্ৰাক্কলন ১৯৮৫-৮৬ |
|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ |
| (—) ৭১,০২,২১ | (—)৪৩,৭২,৫৯ | (—)৫৪,৪১,৪৩ | আৰম্ভণি উদ্বৃত্ত | (—)১৪০,২৪,৬৩ |
| | | | **ক - আয়** | |
| ৫৫০,৭২,২৭ | ৬৫৬,৫১ ৮৩ | ৭০০,০৫৯১ | ৰাজহ আয় | ৮০৯,৩৫,৮১ |
| ৪৩৯,৪৯,৪৪ | ৬৩৬,০৬,৮১ | ৯৬৫,৬৯,৫০ | মূলধন আয় | ৯৩৯,৯৯,০৮ |
| ১,৫৯,৮৪ | ৬,৮৯ | ১৭,৩৮,৫৬ | আকস্মিক নিধিৰ আয় | ১,৬৫,০০ |
| ৮৮১,৩২,৭৬ | ৪২৫,৯০,৭৫ | ৪৩৭,০২ ০০ | ৰাজহুৱা হিচাপৰ অধীনৰ আয় | ৪৫২,৫২,০০ |
| ১৮৭৩,১৪,৩১ | ১৭১৮,৫৬,২৮ | ২১২০,১৫,৯৭ | মুঠ আয় | ২২০৩,৫১,৮৯ |
| ১৮০২,১২,১০ | ১৬৭৪,৮৩,৬৯ | ২০৬৫,৭৪,৫৪ | সৰ্ব মুঠ | ২০৬৩,২৭,২৬ |
| | | | **খ - ব্যয়** | |
| ৬৮৭,৯২,৭৫ | ৭৫২,২১,৭৩ | ৮৩৬,৫৮,৮০ | ৰাজহ শিতানত ব্যয় | ৯১৩,৫১,৪৩ |
| ৩৬৭,১১,৬২ | ৬৩৩,৩৬,২১ | ৯৪৭,৪৪,৬২ | মূলধন ব্যয় | ৯২২,১১,৩০ |
| ......... | ..... . | ১৬,৬৫,০০ | আকস্মিক নিধিৰ ব্যয় | .. |
| ৮০১,৪৯,১৬ | ৩৯৫,২০,৫০ | ৪০৫,৩০,৭৫ | ৰাজহুৱা হিচাপৰ পৰা হোৱা ব্যয় | ৪৩০,২৯,০০ |
| ১৮৫৬,৫৩,৫৩ | ১৭৮০,৭৮,৪৪ | ২২০৫,৯৯,১৭ | মুঠ ব্যয় | ২২৬৫,৯১,৭৩ |
| (—) ৫৪,৪১,৪৩ | (—)১০৫,৯৪,৭৫ | (—)১৪০,২৪,৬৩ | সামৰণি উদ্বৃত্ত | (—)২০২,৬৪,৪৭ |
| ১৮০২,১২,১০ | ১৬৭৪,৮৩,৬৯ | ২০৬৫,৭৪,৫৪ | সৰ্ব মুঠ | ২০৬৩,২৭,২৬ |

### প্ৰকৃত ফলাফল

| | | | | |
|---|---|---|---|---|
| (—)১৩৭,২০,৪৮ | (—)৯৫,৬৯,৯০ | (—)১৩৬,৫২,৮৯ | ৰাজহ হিচাপত | (--)১০৪,১৫,৬২ |
| (+)১৫৩,৮১,২৬ | (+)৩৩,৪৭,৭৪ | (+) ৫০,৬৯,৬৯ | ৰাজহ হিচাপৰ বাহিৰত | (+)৪১,৭৫,৭৮ |
| (+) ১৬,৬০,৭৮ | (—) ৬২,২২,১৬ | (—) ৮৫,৮৩,২০ | প্ৰকৃত বাহি (+) প্ৰকৃত ঘাটি (—) | (—)৬২,৩৯,৮৪ |

অঃ চঃ ছঃ ৩৭২/৮৫—৮০০, ১১।৩।৮৫